# NSD NEWS BULLETIN
# ALL INDIA RADIO, GUWAHATI

0000000000

**Date :** 24-03-2024
**Time :** 0705 hrs

*Assamese Morning Bulletin*

# HEADLINES

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কৈছে যে, ভূটানৰ নেত্ৰীবৰ্গৰ সৈতে তেওঁৰ আলোচনাই উভয় দেশৰ মাজৰ সম্পৰ্কত গতি প্ৰদান কৰিব।

২। বিদেশ মন্ত্ৰী ড° এছ জয় শংকৰে অৰুণাচল প্ৰদেশ সন্দৰ্ভত চীনে কৰা দাবীক হাস্যস্পদ বুলি অভিহিত কৰিছে।

৩। ৰাছিয়াৰ মস্কোৰ ক্ৰোক্‌ছ চিটী হলত সংঘটিত সন্ত্ৰাসবাদী আক্ৰমণত নিহত লোকৰ সংখ্যা ১৩৩লৈ বৃদ্ধি পাইছে।

৪। আজি বিশ্ব যক্ষ্মা দিৱস।

*আৰু*

৫। আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত কালি কলকাতা নাইট ৰাইডাৰ্ছে ছানৰাইজাৰ্ছ হায়দৰাবাদক ৪ ৰানত পৰাস্ত কৰাৰ বিপৰীতে পাঞ্জাব কিংছে দেলহি কেপিটেলছক ৪ উইকেটত পৰাস্ত কৰে।

০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কৈছে যে, ভূটানৰ নেত্ৰীবৰ্গৰ সৈতে তেওঁৰ আলোচনাই উভয় দেশৰ মাজৰ সম্পৰ্কত গতি প্ৰদান কৰিব। শ্ৰীমোদীয়ে ভূটানৰ ৰজা জিগমে খেছৰ নামগিয়াল ৱাংচুক আৰু প্ৰধানমন্ত্ৰী শ্বেৰিং টোবগেক সাক্ষাৎ কৰাৰ সুযোগ লাভ কৰাৰ বাবে সদ্য সমাপ্ত ভূটান ভ্ৰমণক বিশেষ বুলি উল্লেখ কৰে। শ্ৰীমোদী কালি দুদিনীয়া ভূটান ভ্ৰমণ সামৰি নতুন দিল্লীলৈ উভতি আহে। প্ৰধানমন্ত্ৰীয়ে ভূটানৰ সৰ্বোচ্চ অসামৰিক সন্মান অৰ্ডাৰ অব্‌ দ্য ড্ৰুক গ্যাল্প' সন্মানেৰে বিভূষিত কৰাৰ বাবে দেশখনৰ শলাগ লয়।

শ্ৰীমোদীয়ে ভূটানৰ জনসাধাৰণক তেওঁলোকৰ আতিথ্যৰ বাবে অভিনন্দন জনাই কয় যে ভাৰত সদায় দেশখনৰ নিৰ্ভৰযোগ্য বন্ধু আৰু সহযোগী হৈ থাকিব।

০০০০০

বিদেশ মন্ত্ৰী ড০ এছ জয় শংকৰে অৰুণাচল প্ৰদেশ সন্দৰ্ভত চীনে কৰা দাবীক হাস্যস্পদ বুলি অভিহিত কৰিছে। তেওঁ কয় যে, অৰুণাচল প্ৰদেশ ভাৰতৰ অবিচ্ছেদ্য অংগ। ছিংগাপুৰত কালি দক্ষিণ এছিয় অধ্যয়ন প্ৰতিষ্ঠানে আয়োজন কৰা এটা অনুষ্ঠানত ভাষণ দি মন্ত্ৰীগৰাকীয়ে এইদৰে প্ৰকাশ কৰে। তেওঁ কয় যে, বিষয়টো সন্দৰ্ভত ভাৰতৰ স্থিতি স্পষ্ট আৰু অপৰিৱৰ্তনশীল। মন্ত্ৰীগৰাকীয়ে কয় যে, এয়া কোনো নতুন বিষয় নহয় আৰু চীন পূৰ্বতেও এনে ধৰণৰ দাবী কৰিছিল।

ooooo

ৰাছিয়াৰ মস্কোৰ ক্ৰোক্‌ছ চিটী হলত সংঘটিত সন্ত্ৰাসবাদী আক্ৰমণত নিহত লোকৰ সংখ্যা ১৩৩লৈ বৃদ্ধি পাইছে। ৰুছ্ তদন্ত কমিটীৰ উদ্ধৃতিৰে দেশখনৰ চৰকাৰী সংবাদ মাধ্যম তাছে কৈছে যে, সন্ধান আৰু কণচাৰ্ট হলৰ ধবংসাৱশেষ আঁতৰ কৰাৰ অভিযান অব্যাহত আছে। ৰাছিয়াৰ স্বাস্থ্য মন্ত্ৰালয়ে প্ৰকাশ কৰা মতে, এই আক্ৰমণত ১৪৭ জনৰো অধিক লোক আহত হৈছে। এই আক্ৰমণৰ সংক্ৰান্তত কালি ৪ জন বন্দুকধাৰীসহ ১১ জন লোকক গ্ৰেপ্তাৰ কৰা বুলি দেশখনে প্ৰকাশ কৰিছে। ইছলামিক ষ্টেট খুৰচান প্ৰদেশ, আই এছ আই এছ কে নামৰ সন্ত্ৰাসবাদী সংগঠনটোৱে এই আক্ৰমণৰ দায়িত্ব স্বীকাৰ কৰিছে যদিও ৰাছিয়াৰ প্ৰতিৰক্ষা বাহিনীয়ে আক্ৰমণকাৰীসকলক ইউক্ৰেণৰ সৈতে সম্পৰ্ক থকা বুলি দাবী কৰিছে। ইফালে ইক্ৰেইনে কৈছে যে আক্ৰমণৰ সৈতে দেশখন জড়িত থকা বুলি কৰা অভিযোগ সম্পূৰ্ণৰূপে ভিত্তিহীন। ইয়াৰ মাজতে আমেৰিকা যুক্তৰাষ্ট্ৰই কৈছে যে,আই এছ আই এছ কেৰ দাবী বিশ্বাসযোগ্য আৰু ইউক্ৰেইন এই আক্ৰমণৰ বাবে দায়ী নহয় বুলি তেওঁলোকে বিশ্বাস কৰে।

ooooo

জম্মু-কাশ্মীৰৰ শ্ৰীনগৰত নিৰাপত্তা বাহিনীয়ে কালি অভিযান চলাই সন্ত্ৰাসবাদী সংগঠন জইছ-ই-মহম্মদৰ সৈতে জড়িত চাৰিটা সন্ত্ৰাসবাদীক গ্ৰেপ্তাৰ কৰিছে। গোপন সূত্ৰৰ পম খেদি নৌগাম থানাৰ অধীনৰ কেনিহামা অঞ্চলত শ্ৰীনগৰ আৰক্ষী, 50 ৰাষ্ট্ৰীয় ৰাইফলচ আৰু চিআৰপিএফৰ ২৯ নম্বৰ বেটেলিয়নৰ যৌথ অভিযানত এই সন্ত্ৰাসবাদী কেইটাক গ্ৰেপ্তাৰ কৰা হয়। নিৰাপত্তাৰক্ষী দলটোৱে কেনিহামাৰ এটা পথত তালাচী চলাই থকা অৱস্থাত এখন গাড়ীত অহা সন্ত্ৰাসবাদী কেইটাক অস্ত্ৰ-শস্ত্ৰ সহ গ্ৰেপ্তাৰ কৰিবলৈ সক্ষম হয়।

নিৰাপত্তাৰক্ষীয়ে সন্ত্ৰাসবাদীৰ দলটোৰ পৰা ৩টা মেগজিনসহ এটা এ কে ৫৬ ৰাইফল, ৭৫ জাই গুলী, ২ মেগাজিনসহ এটা গ্লক পিষ্টল, আৰু ৬টা চীনত নিৰ্মিত হাত বোমাকে ধৰি বিভিন্ন আপত্তিজনক সামগ্ৰী উদ্ধাৰ কৰে।

ooooo

নতুন দিল্লীৰ বিজেপিৰ মুখ্য কাৰ্যালয়ত কালি দলৰ কেন্দ্ৰীয় নিৰ্বাচন সমিতিৰ এখন বিশেষ বৈঠক অনুষ্ঠিত হয়। এই বৈঠকত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডী, বিজেপিৰ ৰাষ্ট্ৰীয় সভাপতি জে পি নাড্ডা, কেন্দ্ৰীয় মন্ত্ৰী অমিত শ্বাহ আৰু ৰাজনাথ সিং, উত্তৰ প্ৰদেশৰ মুখ্যমন্ত্ৰী যোগী আদিত্যনাথকে ধৰি সমিতিৰ সদস্য আৰু ৰাজ্যিক বিষয়ববীয়াসকল উপস্থিত থাকে। তিনি ঘণ্টাৰো অধিক সময় ধৰি সমিতিখনে নিৰ্বাচনত অৱতীৰ্ণ হবলগীয়া প্ৰাৰ্থীসকল সন্দৰ্ভত আলোচনা কৰে।

ooooo

আজি বিশ্ব যক্ষ্মা দিৱস। যক্ষ্মা ৰোগৰ বিষয়ে সজাগতা সৃষ্টিৰ উদ্দেশ্যে প্ৰতি বছৰে ২৪ মাৰ্চৰ দিনটোত এই দিৱস পালন কৰা হয়। ১৮৮২ চনৰ আজিৰ দিনটোতে ডক্টৰ ৰবাৰ্ট কোচে যক্ষ্মা ৰোগৰ বেক্টেৰীয়া আৱিষ্কাৰ কৰিছিল।

বিশ্ব যক্ষ্মা ৰোগ দিৱস উপলক্ষে ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে ভাৰতবৰ্ষক যক্ষ্মা ৰোগ মুক্ত দেশ হিচাপে গঢ়ি তোলাৰ হকে কাম কৰিবলৈ আহ্বান জনাইছে। এই উপলক্ষে দিয়া এটা বাৰ্তাত ৰাষ্ট্ৰপতিগৰাকীয়ে যক্ষ্মা ৰোগৰ বিষয়ে সজাগতা সৃষ্টিৰ উদ্দেশ্যে প্ৰতি বছৰে ২৪ মাৰ্চৰ দিনটোত বিশ্ব যক্ষ্মা দিৱস পালন কৰাক লৈ সন্তুষ্টি প্ৰকাশ কৰে। তেওঁ কয় যে, ইয়াৰ ফলত যক্ষ্মা ৰোগ নিয়ন্ত্ৰণৰ ক্ষেত্ৰত উদ্ভৱ হোৱা প্ৰত্যাহ্বানসমূহৰ বিষয়ে জনসাধাৰণ সজাগ হ'ব। প্ৰাৰম্ভিক অৱস্থাতে যক্ষ্মা ৰোগ ধৰা পেলোৱা, চিকিৎসা প্ৰদান কৰা আৰু যক্ষ্মা ৰোগ প্ৰতিৰোধৰ গুৰুত্বৰ বিষয়ে এই দিৱসে সকলোকে সোঁৱৰাই দিয়ে বুলি ৰাষ্ট্ৰপতিগৰাকীয়ে প্ৰকাশ কৰে।

ooooo

উপ ৰাষ্ট্ৰপতি জগদীপ ধনখড়ে কৈছে যে, সংবাদ মাধ্যমে ভাৰতক বুজাৰ সঠিক দৃষ্টিকোণৰ বিষয়ে অৱগত কৰাৰ অভিকৰ্তা হিচাপে কাম কৰা উচিত- দেশৰ ভাৱমূৰ্তিক ম্লান কৰাৰ সু পৰিকল্পিত ধাৰণাৰ বলি হ'ব নালাগে। নতুন দিল্লীত কালি ব্যক্তিগত সংবাদ গোষ্ঠীৰ বঁটা বিতৰণী অনুষ্ঠানত অংশগ্ৰহণ কৰি শ্ৰীধনখড়ে এইদৰে প্ৰকাশ কৰে। তেওঁ কয় যে, নিৰপেক্ষ আৰু ৰাজনীতিৰ পৰা দূৰত থাকিলে সংবাদ গোষ্ঠীৰ বিশ্বাস যোগ্যতা বৰ্তি থাকে। তেওঁ লগতে সংবাদ মাধ্যমে এটা পঞ্জীকৃত, স্বীকৃতিপ্ৰাপ্ত অথবা অস্বীকৃতিপ্ৰাপ্ত ৰাজনৈতিক দলত পৰিণত নোহোৱাৰ বাবে সতৰ্কতা অৱলম্বন কৰা উচিত বুলি সকীয়াই দিয়ে। সংবাদ মাধ্যমে সামাজিক ঘটনাৱলীৰ ওচৰত চকু ৰখা উচিত আৰু ভুল তথ্যৰ প্ৰচাৰ বন্ধ কৰা উচিত বুলিও উপৰাষ্ট্ৰগৰাকীয়ে উল্লেখ কৰে। শ্ৰীধনখড়ে কয় যে, ভাৰতৰ চুবুৰীয়া ৰাষ্ট্ৰসমূহত আতিশায্যৰ বলি হোৱা ধৰ্মীয় সংখ্যালঘুসকলক সকাহ প্ৰদান কৰাই নাগৰিকত্ব সংশোধনী আইনৰ মূল উদ্দেশ্যে। এই আইনখনে কোনো ভাৰতীয় নাগৰিকক নাগৰিকত্বৰ পৰা বঞ্চিত নকৰে বুলি উপ ৰাষ্ট্ৰপতিগৰাকীয়ে প্ৰকাশ কৰে।

ooooo

কংগ্ৰেছে কালি আসন্ন লোকসভা নিৰ্বাচনৰ বাবে ৪৫ গৰাকী প্ৰাৰ্থীৰ আৰু এখন তালিকা প্ৰকাশ কৰে। সেই অনুসাৰে কংগ্ৰেছৰ উত্তৰ প্ৰদেশ গোটৰ মুৰব্বী অজয় ৰায়ে বাৰানসী সংসদীয় সমষ্টিৰ পৰা প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ বিৰুদ্ধে প্ৰতিদ্বন্দ্বিতা আগবঢ়াব। কংগ্ৰেছৰ জ্যেষ্ঠ নেতা দ্বিগবিজয় সিঙে মধ্য প্ৰদেশৰ ৰাজগড় লোকসভা সমষ্টিৰ পৰা নিৰ্বাচনী যুঁজত অৱতীৰ্ণ হ'ব। একেদৰে সাংসদ দানিশ আলী উত্তৰ প্ৰদেশৰ আমৰোহা, কাৰ্তি চিদাম্বৰম শিৱগংগা আৰু মণিকম ঠাকুৰ তামিলনাডুৰ বিৰুধনগৰ সংসদীয় সমষ্টিৰ পৰা দলীয় প্ৰাৰ্থী হ'ব। কংগ্ৰেছে ৰাজস্থানৰ নাগ'ৰ সংসদীয় সমষ্টিটো হনুমান বেনিৱালৰ ৰাষ্ট্ৰীয় লোকতান্ত্ৰিক পাৰ্টিক এৰি দিছে। কংগ্ৰেছে লগতে ছিক্কিমৰ সমাগত নিৰ্বাচনৰ বাবে ১৮ গৰাকী প্ৰাৰ্থিৰ প্ৰথমখন তালিকা প্ৰকাশ কৰিছে।

ooooo

কলকাতা নাইট ৰাইডাৰ্ছে যোৱানিশা কলকাতাৰ ইডেন গাৰ্ডেনছত অনুষ্ঠিত আই পি এল ক্ৰিকেট প্ৰতিযোগিতাৰ এখন খেলত ছানৰাইজাৰ্ছ হায়দৰাবাদক ৪ ৰানত পৰাস্ত কৰে। ছানৰাইজাৰ্ছ হায়দৰাবাদে ২০৯ ৰানৰ বিজয় লক্ষ্যৰে খেলি নিৰ্ধাৰিত ২০ অভাৰত ৭টা উইকেট হেৰুৱাই ২০৪ ৰানহে কৰিবলৈ সমৰ্থ হয়। হায়দৰাবাদৰ হৈ হেনৰিক ক্লাছেনে ২৯টা বলত ৬৩ ৰান কৰে। কলকাতাৰ হৰ্ষিত ৰাণাই তিনিটা উইকেট দখল কৰে। ইয়াৰ পূৰ্বে কলকাতা নাইট ৰাইডাৰ্ছে প্ৰথম বেট ধৰাৰ আমন্ত্ৰণ লাভ কৰি নিৰ্ধাৰিত ২০ অভাৰত ৭ উইকেটৰ বিনিময়ত ২০৮ ৰান কৰে। কলকাতাৰ হৈ আন্দ্ৰে ৰাছেলে ২৫টা বলত ৬৪ ৰান কৰি আউট নোহোৱাকৈ থাকে। হায়দৰাবাদৰ হৈ টি নটৰাজনে তিনিটা উইকেট লাভ কৰে। আন্দ্ৰে ৰাছেলক প্লেয়াৰ অব্ দ্যা মেছ হিচাপে ঘোষণা কৰা হয়।

ইয়াৰ আগেয়ে চণ্ডীগড়ত অনুষ্ঠিত কালিৰ প্ৰথমখন খেলত পাঞ্জাব কিংছে দেলহি কেপিটেলছক ৪ উইকেটত পৰাস্ত কৰে। পাঞ্জাব কিংছে ১৭৫ ৰানৰ বিজয় লক্ষ্যৰে খেলি ১৯ অভাৰ আৰু দুটা বলত ৬টা উইকেট হেৰুৱাই নিৰ্ধাৰিত লক্ষ্য অতিক্ৰম কৰে। ছেম কুৰেনে ৪৭টা বলত ৬৩ ৰান কৰে।

প্ৰতিযোগিতাত আজি দুখন খেল অনুষ্ঠিত হ'ব। জয়পুৰত বিয়লি চাৰে ৩ বজাত হ'বলগীয়া প্ৰথমখন খেলত ৰাজস্থান ৰয়েলছ লক্ষ্নৌ ছুপাৰ জায়েণ্টছৰ বিৰুদ্ধে অৱতীৰ্ণ হোৱাৰ বিপৰীতে আহমেদাবাদত সন্ধিয়া চাৰে ৭ বজাত হ'বলগীয়া দ্বিতীয়খন খেলত গুজৰাট টাইটানছ মুম্বাই ইণ্ডিয়ানছৰ সন্মুখীন হ'ব।

০০০০০

ভাৰতৰ আগশাৰীৰ বেডমিণ্টন খেলুৱৈ কিদাম্বি শ্ৰীকান্ত ছুইছ অপেন বেডমিণ্টন প্ৰতিযোগিতাৰ পৰা বাহিৰ হৈছে। কিদাম্বি শ্ৰীকান্ত  যোৱানিশা ছুইজাৰলেণ্ডৰ বেছেলত অনুষ্ঠিত পুৰুষৰ ছিংগলছৰ ছেমি ফাইনেলত লীন ছুন য়িৰ হাতত ২১-১৫, ৯-২১, ১৮-২১ গেমত পৰাজিত হয়। কিদাম্বিৰ পৰাজয়ৰ লগে লগে এইবাৰৰ ছুইছ অপেন বেডমিণ্টন প্ৰতিযোগিতাত ভাৰতীয় প্ৰত্যাহ্বানৰো সামৰণি পৰে।

০০০০০

**সমাপ্ত**